**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক আবকাৰী নীতি কেলেংকাৰিৰ অভিযোগৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ গ্ৰেপ্তাৰ।

২। লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত।

৩। নতুন শিক্ষাবৰ্ষ অৰ্থাৎ ১ এপ্ৰিলৰ পৰা শিক্ষা সেতু এপৰ জৰিয়তে শিক্ষক-কৰ্মচাৰীৰ উপস্থিতি বাধ্যতামূলক কৰাৰ বাবে ৰাজ্যৰ শিক্ষা বিভাগৰ নিৰ্দেশ।

৪। উত্তৰ-পূব ক্ৰীড়া প্ৰতিযোগিতাত অসমৰ এই পৰ্যন্ত ২২ টা সোণসহ মুঠ ৮০ টা পদক অৰ্জন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণৰ উদ্বোধনী খেলত আজি চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক আবকাৰী নীতি কেলেংকাৰিৰ অভিযোগৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱানিশা গ্ৰেপ্তাৰ কৰে। শ্ৰী কেজৰিৱালক গ্ৰেপ্তাৰৰ পাছত বাসগৃহৰ পৰা নতুন দিল্লীস্থিত নিজৰ কাৰ্যালয়লৈ নিয়া হয়। ইয়াৰ পূৰ্বে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ এটা দলে কালি সন্ধিয়া মুখ্যমন্ত্ৰীগৰাকীৰ বাসগৃহত উপস্থিত হয় আৰু তালাচী চলায়।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লীৰ আবকাৰী নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত কেজৰিৱাললৈ ৯ বাৰকৈ চমন জাৰি কৰিছিল। অৱশ্যে মুখ্যমন্ত্ৰীগৰাকীয়ে এই চমনসমূহ অবৈধ আৰু ৰাজনৈতিকভাৱে উদ্দেশ্যপ্ৰণোদিত বুলি উল্লেখ কৰি সঞ্চালকালয়ৰ সন্মুখত হাজিৰ হোৱা নাছিল। দিল্লী উচ্চ ন্যায়ালয়ে কালি শ্ৰী কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ কোনো শাস্তিমূলক ব্যৱস্থাৰ পৰা সকাহ দিবলৈ অস্বীকাৰ কৰাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। ইফালে, আম আদমী পাৰ্টীৰ নেতা তথা দিল্লীৰ মন্ত্ৰী আতিশীয়ে কৈছে যে তেওঁৰ দৰে কেজৰিৱালৰ গ্ৰেপ্তাৰ প্ৰত্যাহাৰ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব। তেওঁ কয় যে দলে বিষয়টো সন্দৰ্ভতততালিকে শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ক অনুৰোধ জনাইছে।

০০০০০০০

নিৰ্বাচন আয়োগে কালি নিৰ্বাচনী বণ্ডৰ নম্বৰসহ সকলো তথ্য ৰাজহুৱা কৰে। এই নম্বৰৰ জৰিয়তে ক্ৰেতা আৰু ধন লাভ কৰা ৰাজনৈতিক দলৰ নাম মিলাই চাব পৰা যাব। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ভাৰতীয় ষ্টেট বেংকে নিৰ্বাচনী বণ্ডৰ সবিশেষ দাখিল কৰাৰ পাছত আয়োগে ইয়াৰ ৱেব ছাইটত দাতা আৰু প্ৰাপ্কসকলৰ সুকীয়া তালিকা প্ৰকাশ কৰিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ লগতে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে কালি সমষ্টিটোৰ অন্তৰ্গত খোৱাং বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়। এই উপলক্ষে আয়োজিত সভাত বিধায়ক চক্ৰধৰ গগৈৰ উপৰি দলৰ কেইবাগৰাকীও নেতা উপস্থিত থাকে। ইপিনে মাজুলীৰ গড়মূৰ বংশীগোপাল নাট্যমন্দিৰত কালি আয়োজিত সন্মিলিত গণ শক্তি আৰু বিজেপি মাজুলী জিলা সমিতিৰ যুটীয়া সাংগঠনিক সভাত মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰধান বৰুৱা, বিধায়ক ভূবন গামকে ধৰি কেইবাগৰাকীও কৰ্মকৰ্তা উপস্থিত থাকে। এই সভাত যোৰহাট সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈক জয়ী কৰোৱাৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰাৰ সিদ্ধান্ত লোৱা হয়। গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু মিত্ৰজোঁটৰ নেতা তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি গোৱালপাৰা জিলাৰ দুধনৈত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। এই কাৰ্যসূচীত দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। গুৱাহাটী সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে কালি সমষ্টিটোৰ অন্তৰ্গত ৱাৰ্ডৰ সভাপতিসকলৰ সৈতে দলীয় সতীৰ্থসকলৰ উপস্থিতিত আলোচনাত মিলিত হয়। তেওঁ জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। লখিমপুৰ সমষ্টিৰ ডুমডুমাত বিধায়ক মুকেশ গোৱালাই এন ডি এ সমৰ্থিত প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ প্ৰচাৰ চলায়। ইপিনে, তিনিচুকীয়াৰ দুৰ্গাবাৰীত ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। আনহাতে, কাজিৰঙা সমষ্টিৰ বিভিন্ন স্থানত ৰাজনৈতিক দলসমূহে তৎপৰতা অব্যাহত ৰাখিছে। খুমটাই সমষ্টিৰ গাঁওসমূহত বিধায়ক মৃণাল শইকীয়াৰ সৈতে বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাই প্ৰচাৰ চলায়। কৰিমগঞ্জৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মল্লই দুৰ্লভচৰা মণ্ডলৰ এখন দলীয় বৈঠকত অংশগ্ৰহণ কৰে।

ইপিনে, ধুবুৰী সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ২৬ লাখ ৪৩ হাজাৰৰ অধিক ভোটদাতা থকা সমষ্টিটোত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাবেদ ইছলামে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰু কাণকাটাত দলীয় কৰ্মীৰ লগতে ৰাইজৰ সৈতে মত বিনিময় কৰে। ইপিনে, দৰং, ওদালগুৰি লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে কালি খাৰুপেটীয়াত এখন দলীয় সভাত অংশ লয়। যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ বিজেপিৰ কাৰ্যকৰ্তাসকলৰ এখন সাংগঠনিক সভা আজি অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ প্ৰমুখ্যে ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। বৰপেটাৰ লোকসভা সমষ্টিৰ বাবে অসম গণ পৰিষদৰ জিলা নিৰ্বাচনী কাৰ্যালয়টো কালি মুকলি কৰা হয়। দলৰ জিলা সভাপতি তথা প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে কাৰ্যালয়টো মুকলি কৰে।

০০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰা আৰু আদৰ্শ আচৰণ বিধি কঠোৰভাৱে বলৱৎ কৰাৰ বাবে জিলা প্ৰশাসনসমূহ তৎপৰ হৈ পৰিছে। শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ভোটদাতাৰ সজাগতাৰ অংশস্বৰূপে জিলাখনৰ নিজৰ নিৰ্বাচনী শুভংকৰ **বি এল অ বাইদেউ** উন্মোচন কৰে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ উপস্থিতিত শিৱসাগৰ নগৰৰ পশ্চিম যমুনা ৰোড অঞ্চলৰ বি এল অ ৰীতা মেচে জিলাখনৰ নিৰ্বাচনী শুভংকৰটো উন্মোচন কৰে।

নগাঁও জিলাৰ ভোটদাতাৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা কালি চাইকেল সমদল উলিওৱা হয়। এই সমদলত ভালেসংখ্যক নতুন ভোটদাতাই অংশগ্ৰহণ কৰে। জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ দ্বাৰা আয়োজিত অনুষ্ঠানটোৰ আঁত ধৰে উত্তৰ-পূবৰ প্ৰথমগৰাকী পেৰা চাইকেলিষ্ট ৰাকেশ বনিকে। চাইকেল সমদলটোত নগাঁৱৰ নিৰ্বাচনী বিষয়া, অতিৰিক্ত আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াৰ লগতে নতুন ভোটদাতাসকলেও অংশগ্ৰহণ কৰে।

কাৰ্বি আংলং জিলা আৰু পশ্চিম কাৰ্বি আলং জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী আচৰণ বিধি উলংঘা তথা নিৰ্বাচনী বিধি সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে পৃথকে পৃথকে দুটা টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। ডিফু জিলা আয়ুক্তৰ কাৰ্যালয়ে 60030-19662 টোল ফ্ৰী নম্বৰৰ সুবিধা দিছে। আনহাতে হামৰেণ জিলা আয়ুক্তৰ কাৰ্যালয়ে 81350-05467 টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। নিৰ্বাচনৰ লগত জড়িত যিকোনো তথ্য জানিবৰ বাবে তথা অভিযোগ দাখিল কৰিবলৈ দুয়োখন জিলাৰ ভোটদাতাসকলে এই দুটা নম্বৰত যোগাযোগ কৰিব পাৰিব।

তিনিচুকীয়া নিৰ্বাচনী জিলাৰ নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটদাতাক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে অভিযান চলোৱা হৈছে। তিনিচুকীয়া, মাকুম, ডিগবৈ আৰু ডুমডুমা বিধানসভা সমষ্টিত আদৰ্শ আচৰণ বিধি বলৱৎ কোষে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। নিৰ্বাচনী জিলাখনৰ বিভিন্ন স্থানত নিয়োজিত ষ্টেটিক ছাৰ্ভিলেন্স, ফ্লায়িং স্কোৱাড আৰু বিডিঅ' স্কোৱাডৰ দলে তালাচী অভিযান চলাইছে।

ইফালে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছৰে পৰা দক্ষিণ শালমাৰা মানকাচৰ জিলা আৰক্ষীৰ তালাচী অভিযান ব্যাপক কৰি তুলিছে। জিলাখনৰ অসম-মেঘালয় সীমান্ত এলেকাৰ প্ৰৱেশদ্বাৰসমূহেদি অহা-যোৱা কৰা প্ৰতিখন বাহনত তালাচী চলোৱা হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে এইপৰ্যন্ত জিলাখনত অবৈধভাৱে সৰবৰাহ কৰা ৩১ লাখ টকাতকৈও অধিক ধন জব্দ কৰা হৈছে।

সমাগত লোকসভা নিৰ্বাচনৰ বাবে কাজিৰঙা সমষ্টিত নিৰ্বাচনী আয়োগে ব্যয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা আই আৰ এছ লক্ষ্মণ সিং গুৰজাৰ কালি গোলাঘাটত উপস্থিত হয়। ব্যয় পৰ্যবেক্ষকগৰাকীয়ে নিৰ্দিষ্ট নিৰ্বাচনী কোষসমূহ পৰিদৰ্শন কৰে আৰু জিলা নিৰ্বাচনী বিষয়া তথা অন্যান্য সংশ্লিষ্ট বিষয়াসকলৰ লগত আলোচনা মিলিত হয়। নিৰ্বাচনী সম্বন্ধীয় যিকোনো তথ্যৰ বাবে ব্যয় পৰ্যবেক্ষকৰ কাৰ্যালয়ৰ টেলিফোন নম্বৰ 91011-21671 আৰু নিয়ন্ত্ৰণ কক্ষৰ টেলিফোন নম্বৰ 03774-283282-ত যোগাযোগ কৰিব পাৰিব। আনহাতে, যিকোনো নিৰ্বাচনী সম্বন্ধীয় যিকোনো ধৰণৰ অভিযোগ CVIGIL এপৰ জৰিয়তে দাখিল কৰিব পাৰিব বুলি গোলাঘাট জিলা প্ৰশাসনে জানিবলৈ দিয়ে।

oooooooo

মাজুলী জিলাত নিৰ্বাচনী আচৰন বিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটাৰক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে ১৭ মাৰ্চৰ পৰা নিয়মীয়া তালাচী অভিযান চলাই থকা হৈছে। ১২টা নিৰীক্ষণকাৰী দল, ফ্লাইং স্কোৱাড আৰু ভিডিঅ' নিৰীক্ষণকাৰী দলে দিনৰ ১২ ঘণ্টাই এনে অভিযান চলোৱাৰ লগতে আদৰ্শ আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰাৰ বাবে কাম কৰি আছে। উল্লেখযোগ্য যে নিৰ্বাচনৰ সময়ছোৱাত প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ত চকু ৰখাৰ উদ্দেশ্যে এই সময়ছোৱাত বৈধ নথি-পত্ৰ অবিহনে নগদ ৫০ হাজাৰ টকাতকৈ অধিক ধন কঢ়িওৱাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি কোনো বৈধ নথি-পত্ৰ নাথাকিলে এনে ধনক অবৈধ হিচাপে গণ্য কৰা হয়।

একেদৰে ১০ হাজাৰতকৈ অধিক মূল্যৰ মূল্যবান সামগ্ৰী কঢ়িওৱাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে নিষেধাজ্ঞা জাৰি কৰিছে। ভোটাৰৰ মাজত সুৰাৰ অবাধ প্ৰচলন ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooooooo

মানকাচাৰৰ আদৰ্শ খেতিয়ক গিয়াছউদ্দিম আহমেদে ষ্ট্ৰবেৰী খেতিৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে। হাটশিঙিমাৰী কৃষি বিষয়াৰ কাৰ্যালয়ৰ কৃষি উন্নয়ন বিষয়া মিঠু গগৈ আৰু সহকাৰী কৃষি পৰিদৰ্শক আবদুছ ছালাম সৰকাৰে কানাইমাৰা গাঁৱৰ গিয়াছউদ্দিনক ষ্ট্ৰবেৰীৰ পুলি প্ৰদান কৰে। গিয়াছউদ্দিনে এতিয়া প্ৰতিদিনে প্ৰায় ১৫ৰ পৰা ২০ কেজি পৰ্যন্ত ষ্ট্ৰবেৰী বিক্ৰী কৰিবলৈ সমৰ্থ হৈছে। এইবাৰ কৃষকজনে ৩ লাখ টকাৰ ষ্ট্ৰবেৰী বিক্ৰী কৰিছে।

ooooooooo

ৰাজ্যৰ শিক্ষা বিভাগে নতুন শিক্ষাবৰ্ষ অৰ্থাৎ ১ এপ্ৰিলৰ পৰা শিক্ষা সেতু এপৰ জৰিয়তে ৰাজ্যৰ শিক্ষক, কৰ্মচাৰীৰ উপস্থিতি বাধ্যতামূলক কৰিছে। এনে পৰিস্থিতিত **সমগ্ৰ শিক্ষা, অসম**ৰ মিছন সঞ্চালক ওম প্ৰকাশে সকলো জিলালৈ নিৰ্দেশনা জাৰি কৰি শিক্ষা সেতু এপত উপস্থিতি লোৱাৰ ক্ষেত্ৰত কিবা কাৰিকৰী বিসংগতি আছে নেকি সেয়া পৰীক্ষা কৰিবলৈ সংশ্লিষ্ট শিক্ষা বিষয়াসকলক নিৰ্দেশ দিছে। এই ক্ষেত্ৰত যদি কিবা জনাবলগীয়া বিষয় থাকে তেন্তে সেয়া ২০ মাৰ্চৰ ভিতৰত জনাবলৈ মিছন সঞ্চালকে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

ooooooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

ooooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰহিৰ পৰা শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এই উৎসৱৰ প্ৰস্তুতিৰ বাবে উলহ-মালহৰ পৰিৱেশ বিৰাজ কৰিছে। সত্ৰনগৰী বৰপেটাত পৰহিৰ পৰা তিনিদিনীয়াকৈ দৌল মহোৎসৱ অনুষ্ঠিত হ'ব। সত্ৰীয়া পৰম্পৰা অনুসৰি ২৪ মাৰ্চত বহ্নুৎসৱ, ২৫ মাৰ্চত ভৰদৌল আৰু ২৬ মাৰ্চত সুৱেৰী বা ফাকুৱা উদযাপন কৰা হ'ব। এই উপলক্ষে সত্ৰৰ দালান, কীৰ্তন ঘৰ, জগমোহন গৃহ, দৌল মন্দিৰৰ লগতে সত্ৰৰ দেৱালসমূহ চাফচিকুণ কৰি তোলাৰ কামত যুৱসকল ব্যস্ত হৈ পৰিছে। একেদৰে সত্ৰৰ বিভিন্ন বংশৰা আৰু সম্প্ৰদায়সমূহেও পৰম্পৰা অনুসৰি মহোৎসৱৰ যাৱতীয় কামকাজ আৰম্ভ কৰিছে। পৰম্পৰা অনুসৰি সত্ৰৰ বিভিন্ন বংশৰাসমূহে বংশানুক্ৰমিকভাৱে সত্ৰখনৰ একোটা কাম-কাজৰ দায়িত্ব লাভ কৰে।

নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰত দৌল উৎসৱ পালনৰ বাবে উদযাপন সমিতিয়ে পূৰ্ণগতিত প্ৰস্তুতি চলাইছে। সত্ৰখনত দেওবাৰৰ পৰা তিনিদিনীয়া দৌল যাত্ৰা উদযাপন কৰা হ'ব।

এই উৎসৱ উপলক্ষে সত্ৰৰ চৌদিশ নাম প্ৰসংগৰে মুখৰ হৈ পৰাৰ লগতে অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰীদৌলগোবিন্দ মন্দিৰতো পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উৎসৱ মেষদাহ পৰ্বৰে আৰম্ভ হৈ ধৰ্মীয় শোভাযাত্ৰাৰে সামৰণি পৰিব। উৎসৱৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান, ভাওনা প্ৰদৰ্শন, যাত্ৰাভিনয় আদিও প্ৰদৰ্শন কৰা হ'ব। ইপিনে, কামৰূপ জিলাৰ বিভিন্ন সত্ৰ, মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহতো দৌল উৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

ooooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত লোকসভা নিৰ্বাচন বিষয়ক অনুষ্ঠান দৃষ্টিপাত **লোক নিৰ্ণয়-২০২৪** প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সাংবাদিক পাৰ্থ গোস্বামী আৰু ভৱেন ঘিমিৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

ooooooooo

উত্তৰ-পূব ক্ৰীড়া প্ৰতিযোগিতাত অসমৰ টেবুল টেনিছ খেলুৱৈ  তৃষা গগৈয়ে চাৰিটাকৈ সোণৰ পদক দখল কৰিবলৈ সমৰ্থ হৈছে। তৃষাই কালি মিক্সড্ ডাবলছ্ আৰু একক শাখাত সোণৰ পদক জয় কৰে। ইয়াৰ পূৰ্বে তৃষাই মহিলাৰ দলগত শাখাত সোণৰ পদক অৰ্জন কৰে। আনহাতে, প্ৰতিযোগিতাখনৰ কালি এথলেটিক্‌ছত অসমে তিনিটা সোণৰ পদক লাভ কৰে। উল্লেখযোগ্য যে কোহিমাত অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমে এই পৰ্যন্ত ২২ টা সোণ, ৩৬ টা ৰূপ আৰু ২২ টা ব্ৰঞ্জসহ মুঠ ৮০ টা পদক অৰ্জনেৰে তালিকাৰ তৃতীয় স্থানত আছে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণ আজি আৰম্ভ হ'ব। চেন্নাইত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। টী-টুৱেণ্টী বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে হ'বলগীয়া এইবাৰৰ আই পি এলৰ সংস্কৰণে বিশেষ গুৰুত্ব বহন কৰিছে। তদুপৰি নিলামৰ পূৰ্বে এই সংস্কৰণ চূড়ান্ত হিচাপে পৰিগণিত হৈছে।

ইপিনে, গুৱাহাটীৰ বৰ্ষাপাৰাৰ ক্ৰিকেট ষ্টেডিয়ামত অহা মে'ত দুখন আই পি এলৰ খেল অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েল্‌ছৰ অধ্যক্ষ অসমৰ ৰঞ্জিত বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰিছে। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি চি চি আয়ে প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক সূচীহে ঘোষণা কৰিছে। অহা সপ্তাহত লীগৰ পৰৱৰ্তী কাৰ্যসূচী প্ৰকাশ কৰা হ'ব। ইফালে, ব'ৰ্ডৰ সচিব জয় শ্বাহে এইবাৰ আই পি এলৰ সকলো খেল ভাৰততে হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পূৰ্বে অহা ৫ আৰু ১৬ মে'ত বৰ্ষাপাৰাত দুখন খেল হোৱাৰ কথা আছিল যদিও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মে'ৰ তৃতীয় বা চতুৰ্থ সপ্তাহত খেল দুখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৰাজস্থান ৰয়েল্‌ছে এইবাৰ আই পি এলত ২৪ মাৰ্চত জয়পুৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ৰ বিৰুদ্ধে  অভিযান আৰম্ভ কৰিব।

ooooooooo

Newspaper Review (22-3-2024 Morn.) 337

আবকাৰী নীতি কেলেংকাৰী গোচৰত বিধি বলৰৎকাৰী সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্রী অৰবিন্দ কেজৰিৱালক গ্রেপ্তাৰ কৰাৰ বাতৰি **অসমীয়া প্রতিদিন** কাকতৰ লগতে আন আন কাকতসমূহৰ প্রথম পৃষ্ঠাত স্থান দিছে।

উচ্চতম ন্যায়ালয়ৰ নির্দেশনা অনুসৰি নির্বাচনী ব'ণ্ড সম্পৰ্কীয় অৱশিষ্ট গুৰুত্বপূর্ণ তথ্য ষ্টেট বেংকে দাখিল কৰিছে। উচ্চতম ন্যায়ালয়ক ষ্টেট বেংকে দাখিল কৰা তথ্যৰ ভিতৰত আছে প্রতিখন ব'ণ্ডৰ বিপৰীতে জাৰি কৰা অতি গোপনীয় ইউপিক আলফা নিউমেৰিক ক'ড। আল্ট্রা ভায়'লেট ৰশ্মিৰে চাব পৰা এই ক'ডতে কোম্পানীসমূহৰ পৰা ৰাজনৈতিক দলসমূহে নির্বাচনী ব'ণ্ডৰ ধন লাভ কৰাৰ তথ্য লিপিবদ্ধ আছে। **দি আছাম ট্রিবিউন** কাকতে এই বাতৰিক গুৰুত্বসহকাৰে প্রকাশ কৰিছে।

অসম আৰক্ষীৰ বিশেষ কর্মবাহিনী এছ ডি এফে ধুবুৰীৰ ধৰ্মশালাৰ পৰা গ্রেপ্তাৰ কৰা আইছিছৰ দুই সন্ত্রাসবাদী হৰিশ ফাৰুকি আৰু অনুৰাগ সিঙক নিয়াই আদালত হাজিৰ কৰাই ট্রেনজিট জিম্মাত লয়। **দ্যা ছেণ্টিনেল** আৰু **দৈনিক জনমভূমি** কাকতে আলোকচিত্রসহ এই বাতৰি প্রকাশ কৰিছে।

নাৰেংগী-কুৰুৱা সংযোগী ব্রহ্মপুত্রত নির্মাণ কৰিব লগা ছয়লেন যুক্ত এখন দলং আৰু বাইহাটাৰ পৰা শোণাপুৰলৈ প্রস্তাৱিত ৰিং ৰোড নির্মাণৰ বাবে আমচাং বন্যপ্রাণী অভায়ৰণ্য আৰু ইয়াৰ কাষৰ পৰিৱেশ সংবেদনশীল মণ্ডলৰ মুঠ ৫১ দশমিক ৭-২ হেক্টৰ বনভূমি ধবংস কৰা হ'ব। এয়া **দৈনিক অসম** কাকতৰ বাতৰি।

সমাগত লোকসভা নির্বাচনক কেন্দ্র কৰি ১০০ খন নির্বাচনী সভা অনুষ্ঠিত কৰি প্রচাৰ কার্য চলোৱাৰ বাবে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰিকল্পনা কৰা বাতৰি **নিয়মীয়া বার্তা** কাকতে শীর্ষ বাতৰি হিচাপে প্রকাশ কৰিছে।

উত্তৰ-পূর্বাঞ্চলৰ অৰুণাচল প্রদেশক ভাৰতৰ ভূ-খণ্ড বুলি আমেৰিকা যুক্তৰাষ্ট্রই স্বীকৃতি প্রদান কৰিছে। অৰুণাচল প্রদেশক দীর্ঘ্য দিনে চীনে নিজৰ অংশ বুলি দাবী কৰি আহিছে। এয়া **আমাৰ অসম** কাকতৰ বাতৰি।

দেশৰ নির্বাচন আয়োগে চাৰিখন ৰাজ্যৰ আৰক্ষী অধীক্ষক আৰু জিলা দণ্ডাধীশ হিচাপে কার্যনির্বাহ কৰি থকা নন কেদাৰ বিষয়াসকলক বদলি কৰিছে। শোণিতপুৰৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাকো বদলি কৰা হৈছে। **অসমীয়া খবৰ** কাকতে গুৰুত্ব সহকৰে এই বাতৰি প্রকাশ কৰিছে।

কংগ্রেছৰ বেংক একাউণ্টৰ পৰা ধন লুট কৰা হৈছে বুলি বিজেপিৰ বিৰুদ্ধে দলটোৰ মুৰব্বী ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু মল্লিকার্জুন খাৰ্গে অভিযোগ উত্থাপিত কৰাৰ বাতৰি **দৈনিক অগ্রদূত** কাতত প্রকাশ কৰা হৈছে।

আজি প্রকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বিকশিত ভাৰতৰ বার্তা প্রচাৰ নকৰিবলৈ মোদী চৰকাৰক নির্দেশ, শ্রীনগৰত কর্মৰত অসমৰ জোৱানৰ ৰহস্যজনক মৃত্যু, বিজেপি-কংগ্রেছৰ তৃতীয় প্রার্থী তালিকা প্রকাশ, এইবাৰ বিহু কমিটিয়ে নাপায় চৰকাৰী ধন ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্রকাশিত বাতৰি কাকতসমূহৰ প্রথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooooooo

**সমাপ্ত**